# জলবায়ু ধৰ্মঘট, ২০২২

১) চলিত বৰ্ষৰ ২৩ ছেপ্টেম্বৰ তাৰিখটো হৈছে বিশ্বৰ যুৱ প্ৰজন্মই 'ভৱিষ্যতৰ বাবে শুক্ৰবাৰ' শীৰ্ষক আন্দোলনৰ নেতৃত্ব বহনকাৰী ছুইডেনৰ কিশোৰী গ্ৰেটা থুনবাৰ্গে (Greta Thunburg) জলবায়ু ধৰ্মঘটলৈ জনোৱা আহ্বানৰ প্ৰতি সজোৰে সঁহাৰি জনোৱাৰ এক বিশেষ দিন। এয়া হৈছে বিশ্ব নেতৃত্বই জলবায়ু পৰিৱৰ্তনৰ সংকট প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত দেখুওৱা নিষ্ক্ৰিয়তাৰ বিৰুদ্ধে এক প্ৰতিবাদ। লগতে প্ৰতিখন ৰাষ্ট্ৰকেই জলবায়ু সমস্যাটো সমাধানৰ বাবে কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰিবলৈ বাধ্য কৰোৱা ছুইডেনৰ ছাত্ৰী গ্ৰেটাই ১৬ বছৰ বয়সতেই ২০১৮ চনত প্ৰতি শুক্ৰবাৰে শ্ৰেণীকোঠা বৰ্জন কৰি ছুইডেনৰ সংসদৰ সন্মুখত এই প্ৰতিবাদ আৰম্ভ কৰিছিল। জলবায়ু সমস্যাটোৰ সমাধানৰ অৰ্থে 'জলবায়ুৰ বাবে স্কুল ধৰ্মঘট' শীৰ্ষক বেনাৰৰ জৰিয়তে তেওঁ প্ৰতিবাদ সাব্যস্ত কৰিছিল আৰু বৰ্তমান সময়ত এই ধৰ্মঘটে এক গণ আন্দোলনৰ ৰূপ লৈছে।

২) ২০১৯ চনৰ ২০ ছেপ্টেম্বৰ তাৰিখে স্কুল, কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে এই ধৰ্মঘটৰ প্ৰতি সংহতি প্ৰকাশ কৰিবলৈ শিক্ষানুষ্ঠানৰ শ্ৰেণীকোঠা বৰ্জন কৰি আন্দোলনত অংশগ্ৰহণ কৰিছিল। এই ধৰ্মঘটে এক বিশ্ব ধৰ্মঘটলৈ ৰূপান্তৰ ঘটিছে।

৩) এই বছৰ ২৩ ছেপ্টেম্বৰত অনুষ্ঠিত হ'বলগীয়া ধৰ্মঘটত অসমৰ ছাত্ৰ-ছাত্ৰীসকলক 'আমাৰ গ্ৰহটোক সুৰক্ষা দিয়া' শীৰ্ষক বেনাৰ হাতত লৈ ৰাজপথত প্ৰতিবাদ সাব্যস্ত কৰিবলৈ সদৌ ভাৰত জনবিজ্ঞান নেটৱৰ্ক (AIPSN) সমন্বয়ৰক্ষী সমিতি অসমে আহ্বান জনাইছে।

৪) লগতে সন্মানীয় শিক্ষক, অধ্যাপক সকলকো ছাত্ৰ-ছাত্ৰীৰ এই প্ৰতিবাদ কাৰ্যসূচীক নেতৃত্ব দিবলৈও সমিতিয়ে আহ্বান জনাইছে।

৫) সময় ঃ দিনৰ ১-৩০ বজাৰ পৰা ২-৩০ বজালৈ।

৬) কাৰ্যসূচীত সমৱেত হোৱা ৰাইজক জলবায়ু সংকটৰ বিষয়ে সজাগ কৰাৰ বাবে কিছু আলোচনা আগবঢ়োৱাৰ চেষ্টা কৰিব পাৰিলে ভাল হয়।

i) ব্যৱস্থাটোৰহে পৰিৱৰ্তন কৰক, জলবায়ুৰ পৰিৱৰ্তন নহয়।
(Change the system, not the climate)

ii) অপৰাম্পৰগত শক্তিৰ ব্যৱহাৰ বৃদ্ধি কৰা।
(Increase use of non-conventional energy)

iii) জীৱাশ্ম ইন্ধনৰ ব্যৱহাৰ হ্ৰাস কৰা।
(Reduce use of fossile fuel)

iv) মনত ৰখা দৰ্কাৰ যে বৰ্তমানৰ প্ৰজন্মই সৰ্বশেষ নহয়।
(Mind it our generation is not the last one)

v) হিমবাহসমূহ গলিব ধৰিছে, দ্বীপসমূহ প্লাৱিত হ'ব ধৰিছে।
(Icebargs melting, islands are diluge)

vi) গোলকীয় উষ্ণতা বৃদ্ধি ৰোধ কৰা।
(Stop global warming)

vii) জলবায়ু পৰিৱৰ্তনৰ বিৰুদ্ধে কাৰ্যকৰী ভূমিকা গ্ৰহণ কৰক।
(Take apropriate action against climate change)

viii) উদ্ভিদে গোলকীয়া তাপমাত্ৰ বৃদ্ধি ৰোধ কৰে।
(Plant trees, arrest global warming )

ix) নীলা আকাশ আমাৰ অধিকাৰ।
(Blue sky is our right)

x) এজোপা উদ্ভিদে লক্ষজনৰ জীৱন সুৰক্ষা দিয়ে।
(One tree : guarantee of lakh lives)

xi) আমাৰ পৃথিৱীখনেই একমাত্ৰ সেউজীয়া গ্ৰহ; আন কোনো স্থানলৈ যোৱাৰ উপায় নাই।
(Ours is the only green planet, we have no other place to go)